PROSMITECH
PRIVATE LIMITED

99540 89344 House No 15, Sapta Shaid Path, Downtown Guwahati

বুজাবুজি চুক্তি

MEMORANDUM OF UNDERSTANDING

এই বুজাবুজিৰ চুক্তিখন আজি ২০২৫ চনৰ ___ মাহৰ, ___তাৰিখে তলত উল্লিখিত পক্ষসমূহৰ মাজত সম্পাদন কৰা হ'ল:

১. প্ৰছমিটেক প্ৰাইভেট লিমিটেড, এটি কোম্পানী ( যি কোম্পানী আইন, ২০১৩ অনুসৰি স্থাপন হৈছে) আৰু যাৰ পঞ্জীকৃত কাৰ্যালয়- ১৫, ২য় উপপথ, সপ্ত শহীদ পথ, অসম সচিবালয়, জিলা- কামৰূপ মহানগৰ, গুৱাহাটী – ৭৮১০০৬, অসমত অৱস্থিত। (পাছত "প্লেটফৰ্ম প্ৰভাইডাৰ" বা "প্ৰছমিটেক" বা প্ৰথম পক্ষ বুলি উল্লেখ কৰা হ'ব)।

আৰু
২. শ্ৰী / শ্ৰীমতী ............................................................................................................, যি এক পেচাদাৰী জ্যোতিষশাস্ত্ৰবীদ হিচাপে কৰ্মৰত, যাৰ পঞ্জীকৃত কাৰ্যালয়/বসবাসৰ ঠিকনা
........................................................................................................................................
........................................................................................................................................
............
প্ৰমাণপত্ৰ/Certificate সংক্ৰান্তীয় তথ্য: ...........................................................................................
(পাছত "জ্যোতিষশাস্ত্ৰবীদ"/ "আপুনি" বুলি উল্লেখ কৰা হ'ব)

This Memorandum of Understanding (MOU) is entered into on this ___ day of ________ 2025, by and between:

1. PROSMITECH PRIVATE LIMITED, a company incorporated under the Companies Act, 2013, having its registered office at No. 15, 2nd Bye-Lane, Sapt Sahid Path, Assam Sachivalaya, Kamrup Metropolitan, Guwahati – 781006 (hereinafter referred to as the "Platform Provider" or "Prosmitech").

AND

2. ........................................................................................................, a professional engaged in astrology services, having their registered office/ Residence at
..........................................................................................................................................
..........................................................................................................................................
.........................Certificate details......................................................................................
( hereinafter referred to as the “Astrologer”).

---

যিহেতু:—

ক) প্ৰছমিটেক-এ "এষ্ট্ৰ আচাম“ নামৰ ৱেবছাইট আৰু মোবাইল এপ্লিকেশ্বনৰ জৰিয়তে অনলাইন জ্যোতিষ পৰামৰ্শৰ সুবিধা প্ৰদান কৰে।

খ) এই দ্বিতীয় পক্ষ বা জ্যোতিষশাস্ত্ৰবীদগৰাকীয়ে এই প্লেটফৰ্মৰ জৰিয়তে জ্যোতিষ পৰিসেৱা আগবঢ়াবলৈ ইচ্ছুক।

গ) দুয়ো পক্ষই এই চুক্তিপত্ৰৰ জৰিয়তে এটি সুস্পষ্ট, ন্যায়সঙ্গত আৰু আইনগতৰূপে সম্পাদীত চুক্তি স্থাপন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

WHEREAS:

a) Prosmitech provides an online platform for astrology consultations through its website and mobile application "Astro Assam."

b) The Astrologer intends to offer astrology services on the platform under mutually agreed terms.

99540 89344
House No 15, Sapta Shaid Path, Downtown Guwahati

c) Both parties seek to define the terms of engagement through this MOU to ensure clarity, fairness, and compliance with applicable laws.

গতিকে, তলত উল্লিখিত ধাৰাসমূহত দুয়োপক্ষই একমত হৈছে।

১. গ্ৰাহকসকলৰ সুৰক্ষাৰ ক্ষেত্ৰ

১.১ জ্যোতিষশাস্ত্ৰবীদগৰাকীয়ে নিজৰ যোগ্যতা, অভিজ্ঞতা, আৰু পটভূমিৰ বিষয়ে সঠিক তথ্য দিব লাগিব আৰু সময় সাপেক্ষে আপডেট কৰিব লাগিব।

১.২ জ্যোতিষশাস্ত্ৰবীদগৰাকীয়ে চিকিৎসা, বিত্তীয় বা আইনী পৰামৰ্শ প্ৰদান কৰিব নোৱাৰিব আৰু গ্ৰাহকক জানিব দিব যে জ্যোতিষ শাস্ত্ৰ হ'ল এক বিশ্বাসৰ বিষয়, বিজ্ঞান বা প্ৰযুক্তিৰ নিশ্চয়তা নহয়।
১.৩ প্লেটফৰ্মত উল্লেখিত পৰিশোধৰ নীতি অনুসৰি, নিৰ্ধাৰিত পৰিস্থিতিতহে গ্ৰাহকক টকা উভতাই দিয়াৰ ব্যৱস্থা থাকিব।

১.৪ গ্ৰাহকৰ ব্যক্তিগত তথ্য গোপন ৰখা জ্যোতিষশাস্ত্ৰবীদজনৰ দায়িত্ব; তেওঁলোকে ফোন নম্বৰ, ই-মেইল, ঠিকনা আদি দাবী কৰিব নোৱাৰিব আৰু নিজৰ ব্যক্তিগত নম্বৰো এই প্লেটফৰ্মৰ গ্ৰাহকক প্ৰদান কৰিব নোৱাৰিব।

১.৫ জ্যোতিষশাস্ত্ৰবীদজনে তথ্য বহিৰ্ভূত কথা, মিছা প্ৰতিশ্ৰুতি বা ভয় দেখুওৱা আদিৰ দৰে অনৈতিক পন্থা ব্যৱহাৰ কৰাব নোৱাৰিব।

১.৬ গ্ৰাহকৰ ৰেটিং আৰু মন্তব্যসমূহ ৰাজহুৱাকৈ প্লেটফৰ্মত প্ৰকাশ থাকিব; অশালীন বা বিভ্ৰান্তিমূলক ৰিভিউৰ ক্ষেত্ৰত পৰিমাৰ্জন কৰিব পাৰিব।

PROSMITECH
PRIVATE LIMITED

99540 89344

House No 15, Sapta Shaid Path, Downtown Guwahati

**NOW, THEREFORE, THE PARTIES HEREBY UNDERSTAND AND AGREE AS FOLLOWS:**

1. Protection of Customer Interests

1.1 The Astrologer shall provide true and accurate information regarding their astrological qualifications, expertise, and background, updating them as necessary.

1.2 The Astrologer must not offer medical, financial, or legal advice and shall inform customers that astrology is a matter of faith and belief, not a guaranteed science.

1.3 The Astrologer agrees to adhere to a customer-friendly refund policy where refunds are only allowed under predefined conditions (e.g., technical failure, violation of service terms).

1.4 Astrologers must maintain customer privacy and must not request personal contact details (phone numbers, emails, addresses) from customers or solicit them outside the platform and cannot provide their personal number as well.

1.5 Astrologers shall not engage in unethical practices, including misleading predictions, false promises, or pressure tactics.

1.6 Ratings and reviews provided by customers will be publicly displayed, with moderation available for offensive or misleading reviews.

99540 89344

House No 15, Sapta Shaid Path, Downtown Guwahati

২. প্ৰছমিটেক-ৰ ব্যৱসায়িক সুৰক্ষা

২.১ জ্যোতিষশাস্ত্ৰবীদজনে ’এষ্ট্ৰ আচাম’ প্লেটফৰ্মতহে অসমীয়াত সেৱা আগবঢ়াব পাৰিব, আন কোনো প্ৰতিদ্বন্দ্বী প্লেটফৰ্মত এনে কৰিব নোৱাৰিব । এই দফা উলংঘা কৰিলে, মাননি হ্ৰাস, চুক্তি বাতিল বা আইনী ব্যৱস্থা লোৱা হ’ব।

২.২ মূল্য নিৰ্ধাৰণ, ৰেহাই আৰু প্ৰচাৰৰ ক্ষেত্ৰত জ্যোতিষীগৰাকীৰ লগত আলোচনাৰ পাছত চূড়ান্ত সিদ্ধান্ত প্ৰচমিটেকেহে ল’ব পাৰিব।

২.৩ যিকোনো ৰেহাইৰ সময়ত জ্যোতিষশাস্ত্ৰবীদগৰাকীৰ টকা পইচা প্ৰদানৰ ক্ষেত্ৰত তেখেতৰ সৈতে আলোচনাৰ পিচত সলনি কৰিব পাৰে, আৰু ই প্লেটফৰ্মত স্পষ্টকৈ উল্লেখ থাকিব।

২.৪ জ্যোতিষশাস্ত্ৰবীদজনে গ্ৰাহকৰ পৰা প্লেটফৰ্মৰ বাহিৰত কোনো টকা ল’ব নোৱাৰিব। এনে কাম ধৰা পৰিলে, তৎক্ষণাৎ চুক্তি বাতিল কৰা হ’ব।

২.৫ জ্যোতিষশাস্ত্ৰবীদগৰাকীৰ প্ৰ'ফাইল, ফটো, ভিডিঅ’, ৰেটিং ইত্যাদি প্ৰছমিটেক-এ প্ৰচাৰৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰিব।

২.৬ প্ৰছমিটেক-এ চুক্তিৰ ধাৰা, মূল্য, আৰু কমিশ্বন আইন অনুসৰি আৰু প্লেটফৰ্মৰ প্ৰয়োজন অনুসৰি আলোচনা কৰি পৰিৱৰ্তন কৰিব পাৰিব।

2. Safeguarding Prosmitech’s Business Interests

2.1 The astrologer must provide exclusive services to Astro Assam and must not offer astrology services on competing platforms using Assamese language for consultation. If found violating this, Prosmitech may reduce the astrologer’s fees, terminate their contract, or take legal action.

**PROSMITECH**
PRIVATE LIMITED

99540 89344
House No 15, Sapta Shaid Path, Downtown Guwahati

---

**2.2 Prosmitech retains full authority over pricing, discounts, and promotional offers on the platform after discussion with astrologers.**

**2.3 The platform reserves the right to adjust astrologer payouts during promotions or discounts after discussion with the astrologers. Changes will be displayed transparently on the astrologer’s dashboard.**

**2.4 The astrologer must not solicit customers for direct payments or offline consultations outside the platform. Any such activity will result in immediate termination.**

**2.5 Prosmitech reserves the right to use the astrologer’s profile, images, videos, reels, and any other similar product, along with ratings, for promotional purposes without prior consent.**

**2.6 Prosmitech will have the right to modify the terms , rates and commission of the agreement as per the requirement of the platform and prevailing law of the land as and when required after discussion.**

---

**৩. জ্যোতিষশাস্ত্ৰবীদজনৰ বাবে ন্যায়সঙ্গত আৰু সুস্থ কামৰ পৰিৱেশ**

**৩.১ প্ৰতি পিছৰ মাহৰ ১৫ দিনৰ ভিতৰত পেমেন্ট প্ৰছমিটেক-এ আগবঢ়াব, য’ত কমিশ্বন, জি এচ টি, আৰু অন্যান্য কৰ কৰ্তন কৰি লোৱা হ’ব।**

**৩.২ জ্যোতিষশাস্ত্ৰবীদজনে আগতকৈ জাননীৰ জৰিয়তে ছুটি ল’ব পাৰিব, কিন্তু আগতে জাননী নিদিয়াকৈ সময়ত সেৱা আগবঢ়াবলৈ সক্ষম নহ’লে পেমেন্ট হ্ৰাস বা কৰ্তন কৰা হ’ব।**

PROSMITECH
PRIVATE LIMITED

99540 89344

House No 15, Sapta Shaid Path, Downtown Guwahati

৩.৩ জ্যোতিষশাস্ত্ৰবীদজনৰ গ্ৰাহকৰ অভিযোগ বা পেমেন্ট সংক্ৰান্তীয় সমস্যাৰ নিষ্পত্তিৰ বাবে ’structured grievance redressel system’ থাকিব। এই সুবিধা প্ৰছমিটেক-এ এই প্লেটফৰ্মত উচিত সিদ্ধান্ত লোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰদান কৰিছে।

৩.৪ মিছা অভিযোগ দি পৰিশোধ বিচৰা গ্ৰাহকক আইনমতে দণ্ডিত কৰা হ’ব।

৩.৫ জ্যোতিষশাস্ত্ৰবীদগৰাকীক যিকোনো নিৰ্দিষ্ট দিনত কাম কৰিবলৈ বাধ্য কৰা নহয়, কিন্তু তেখেতে সম্মতি প্ৰদান কৰা সময়ৰ ভিতৰত নিজকে উপলব্ধ কৰি ৰাখিব লাগিব।

3. Fair Working Conditions for Astrologers

3.1 Payments will be made to astrologers within 15 days of the following month after deducting applicable commissions, GST, and any other applicable taxes, if introduced in the future.

3.2 Astrologers can mark themselves unavailable in advance without penalties. However, failure to meet committed consultation schedules without prior notice may lead to action and deduction in payment if any losses occur.

3.3 The platform will ensure fair dispute resolution in cases of customer complaints or payment issues. Astrologers may appeal unfair reviews or deductions through a structured grievance redressal system.

3.4 Customers found making false complaints to seek refunds unfairly may be penalized.

3.5 Astrologers should not be forced to work on specific days but must maintain reasonable availability as per agreed working hours.

______

# PROSMITECH
PRIVATE LIMITED

99540 89344

House No 15, Sapta Shaid Path, Downtown Guwahati

৪. আইনী দায়বদ্ধতাআৰু নিয়ম

৪.১ প্ৰছমিটেক-এ ভাৰতীয় 'IT' আৰু 'Data Protection' আইন অনুসৰি সকলোখিনি অনলাইন কাম কৰিব।

৪.২ জ্যোতিষশাস্ত্ৰবীদজনৰ উপদেশৰ বাবে এই প্লেটফৰ্ম দায়ী নহ'ব।

৪.৩ জ্যোতিষশাস্ত্ৰবীদজনে এই চুক্তিৰ দায়বদ্ধতা আৰু নিতি ভংগ কৰিলে সতৰ্কিকৰণ, স্থগিত বা বাতিলৰ ব্যৱস্থা লোৱা হ'ব।

৪.৪ জ্যোতিষশাস্ত্ৰবীদজন কোনো অবৈধ কাম, জুৱাৰ পূৰ্বাভাস বা গৰ্ভস্থ শিশুৰ লিংগ নিৰ্ধাৰণ সম্পৰ্কীয় পূৰ্বানুমান ইত্যাদি কাৰ্যত জড়িত থকাটো নিষিদ্ধ।

4. Legal Compliance & Liability

4.1 Prosmitech shall comply with India's IT and Data Protection Laws to safeguard user data.

4.2 The platform shall not be liable for astrologers' predictions or advice, and the astrologer assumes full responsibility for their guidance.

4.3 Violation of any platform policies may lead to warnings, suspension, or permanent termination, depending on the severity of the breach.

4.4 The astrologer shall not engage in predictions related to illegal activities, gambling, or gender determination of unborn children, in compliance with Indian laws.

---

PROSMITECH
PRIVATE LIMITED

99540 89344

House No 15, Sapta Shaid Path, Downtown Guwahati

৫. পেমেন্ট আৰু কৰ সংক্ৰান্তীয় ধাৰা

৫.১ জ্যোতিষশাস্ত্ৰবীদজনে ১৫% প্লেটফৰ্ম কমিশ্বন, ১৮% জি এচ টি আৰু আন আন যিকোনো কৰ কাটি লোৱাৰ পাছত পেমেন্ট লাভ কৰিব।

৫.২ জ্যোতিষশাস্ত্ৰবীদজনৰ দ্বাৰা প্ৰদান কৰা বিনামূলীয়া ট্ৰায়েল বা ৰেহাইযুক্ত মিনিটৰ ( সময়ৰ) বাবে পেমেন্ট কৰা নহ’ব।

৫.৩ সকলো পেমেন্টতে 'TDS' কাটি লোৱা হ’ব (আইকৰ আইন, ১৯৬১ অনুসৰি)।

৫.৪ যিকোনো গ্ৰাহকৰ দ্বাৰা উৰ্দ্ধিত অভিযুগৰ বিতৰ্কযুক্ত কথোপকথন বা সেৱাৰ সময়খিনিৰ পেমেন্ট, বিতৰ্ক নিষ্পত্তি নোহোৱালৈকে ৰখাই থোৱা হ’ব।

5. Payment & Taxation

5.1 The astrologer will receive revenue after deduction of a 15% platform commission, GST at 18%, and any other applicable taxes.

5.2 No payments shall be made for free trials, discount offers, or promotional minutes provided to customers.

5.3 All payments shall be subject to TDS deductions as per the Income Tax Act, 1961.

5.4 If a customer disputes a consultation, payment for that session will be withheld until the matter is resolved.

99540 89344
House No 15, Sapta Shaid Path, Downtown Guwahati

৬. গোপনীয়তা আৰু তথ্য সংৰক্ষণ

৬.১ জ্যোতিষশাস্ত্ৰবীদজনে গ্ৰাহক সম্পৰ্কীয় তথ্য, প্লেটফৰ্মৰ ব্যৱসায়িক তথ্য বা চুক্তিৰ তথ্য বাহিৰত বা তৃতীয় পক্ষৰ আগত ৰাজহুৱাকৈ প্ৰকাশ কৰিব নোৱাৰিব।

৬.২ জ্যোতিষশাস্ত্ৰবীদজনে প্লেটফৰ্মৰ ’লগ ইন’ তথ্য কাকো দিব নোৱাৰিব। তেনেস্থলত আপত্তিজনক বা কৰ্ত্তিত্বহীন ব্যৱহাৰৰ দায়িত্ব জ্যোতিষশাস্ত্ৰবীদজনৰ হ’ব।

6. Confidentiality & Non-Disclosure

6.1 The astrologer must not disclose platform business terms, customer details, or financial agreements to any third parties.

6.2 The astrologer shall not share their platform login credentials with anyone. Any unauthorized access resulting from negligence will be the astrologer’s responsibility.

---

৭. বিতৰ্ক নিষ্পত্তিকৰণ আৰু চুক্তি বাতিল

৭.১ এই চুক্তিপত্ৰ সম্পৰ্কীয় যিকোনো বিতৰ্ক গুৱাহাটী, অসমত, ’Arbitration and Conciliation’ আইন, ১৯৯৬ অনুসৰি নিষ্পত্তি কৰা হ’ব।

৭.২ যিকোনো পক্ষই ৯ মাহৰ আগতিয়া জাননীৰ ভিত্তিত এই চুক্তি বাতিল কৰিব পাৰে। অপেচাদাৰী বা বিৰূপ আচৰণৰ ক্ষেত্ৰত প্ৰছমিটেক-এ তৎক্ষণাৎ এই ব্যৱস্থা বাতিল কৰিব পাৰে।

7. Dispute Resolution & Termination

7.1 Any disputes arising under this MOU shall be resolved through arbitration in Guwahati, Assam, under the Arbitration and Conciliation Act, 1996.

7.2 Either party may terminate this agreement with 9 months' prior notice. In cases of misconduct, Prosmitech reserves the right to suspend or terminate services immediately.

---

৮. উপসংহাৰ

৮.১ এই চুক্তিয়ে নিয়োগকাৰী আৰু কৰ্মচাৰীৰ সম্পৰ্ক স্থাপন নকৰে বা নুবুজায়। ই এক বুজাবুজি আৰু সহযোগিতাৰ চুক্তিহে।

৮.২ এই চুক্তি স্বাক্ষৰৰ লগে লগে কাৰ্যকৰী হ'ব আৰু দুয়ো পক্ষৰ মাজত পেশাদাৰী সম্পৰ্ক বাধ্যতামূলকভাৱে প্ৰৱৰ্তিত হ'ব।

8. Conclusion

8.1 This MOU does not create a formal employer-employee relationship between the parties. It serves as a framework for mutual understanding and cooperation.

8.2 Upon signing, this MOU shall be considered effective and binding, governing the professional relationship between Prosmitech and the Astrologer.

---

99540 89344 House No 15, Sapta Shaid Path, Downtown Guwahati

**এই বুজাবুজি চুক্তিৰ সকলো ধাৰা আৰু চৰ্ত দুয়ো পক্ষই সুস্থিৰে, স্বজ্ঞানে নিজ নিজ ইচ্ছাৰে নিম্ন স্বাক্ষৰিত ব্যক্তিসকলৰ সাক্ষাতত চহী / হস্তাক্ষৰ কৰি আজি ইংৰাজী ____ তাৰিখে গুৱাহাটী ( কামৰূপ মহানগৰ জিলা, অসম) -ত সম্পাদন কৰিলোঁ।**

**IN WITNESS WHEREOF, the parties hereto have caused this Memorandum of Understanding to be duly executed as of the date first written above.**

**স্বাক্ষৰ :**

**( প্ৰথম পক্ষ) প্ৰছমিটেক প্ৰাইভেট লিমিটেড- ৰ হৈ**
**স্বীকৃত প্ৰতিনিধি:**

________

**তাৰিখ: ____**

**( দ্বিতীয় পক্ষ ) জ্যোতিষশাস্ত্ৰবীদৰ স্বাক্ষৰ:**

________

**তাৰিখ: ____**

**(নাম: .........................................................)**

**সাক্ষীসকল :**

**১)**

**২)**

99540 89344

House No 15, Sapta Shaid Path, Downtown Guwahati

**For Prosmitech Private Limited:**

**Authorized Signatory: ___________________**

**Date: _________**

**Signature of the Astrologer**

**Signature: ___________________ Date: _________**

**( Name: .........................................................)**

**Witnesses:-**

**1.**

**2.**